# অৰ্থনৈতিক উন্নয়ন

## অতি চমু উত্তৰৰ প্ৰশ্ন :

### ১। ব্যাখ্যা কৰা ( এটা বাক্যত ) :

**( ক ) অৰ্থনৈতিক বিকাশ ।**

উত্তৰঃ অৰ্থনৈতিক বিকাশ হৈছে এটা সংখ্যাগত ধাৰণা যি এটা নিৰ্দিষ্ট সময়ত দেশ এখনত হোৱা উৎপাদিত দ্ৰব্য তথা সেৱাৰ বৃদ্ধি , বিশেষকৈ জনমূৰি আয়ত হোৱা বৃদ্ধিৰ সৈতে জড়িত ।

**( খ ) অৰ্থনৈতিক উন্নয়ন ।**

উত্তৰঃ অৰ্থনৈতিক উন্নয়ন হৈছে এটা গুণগত ধাৰণা যিটো অৰ্থনৈতিক বিকাশৰ লগতে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত সাধন হোৱা দীৰ্ঘম্যাদী সামাজিক তথা অৰ্থনৈতিক পৰিৱৰ্তনসমূহৰ সৈতে জড়িত ।

**( গ ) মানব উন্নয়ন ।**

উত্তৰঃ মানৱ উন্নয়ন মানে হ'ল অৰ্থনৈতিক , সামাজিক , সাংস্কৃতিক আৰু ৰাজনৈতিক পছন্দসমূহৰ দৰে জনসাধাৰণৰ সামূহিক পছন্দসমূহৰ বিস্তাৰ সাধন হোৱা ।

**( ঘ ) অৰ্থনৈতিক পৰিকল্পনা।**

উত্তৰঃ অৰ্থনৈতিক পৰিকল্পনা হৈছে নিৰ্ধাৰিত সময়ৰ ভিতৰত কেতবোৰ সুনিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় পৰিকল্পনা কৰ্তৃপক্ষৰ দ্বাৰা দেশৰ অৰ্থনীতিৰ নিয়ন্ত্ৰণ তথা দিগ দৰ্শন কৰা ।

**( ঙ ) গণতান্ত্ৰিক পৰিকল্পনা ।**

উত্তৰঃ গণতান্ত্ৰিক পৰিকল্পনা হ'ল এনে এক পৰিকল্পনা য'ত পৰিকল্পনাৰ যুগুতকৰণৰ বিভিন্ন পৰ্যায়ত জনসাধাৰণে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে ।

**( চ ) উদাৰীকৰণ ।**

উত্তৰঃ উদাৰীকৰণ মানে হৈছে দেশ এখনৰ অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত থকা ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ শিথিলকৰণ ।

**( ছ ) ব্যক্তিগতকৰণ ।**

উত্তৰঃ ব্যক্তিগতকৰণ মানে হৈছে চৰকাৰী বা ৰাজহুৱা  নিয়ন্ত্ৰণত থকা প্ৰতিষ্ঠানসমূহ ব্যক্তিগত বা বেচৰকাৰী খণ্ডলৈ মুকলি কৰি দিয়া ।

**( জ ) গাােলকীকৰণ বা বিশ্বায়ন ।**

উত্তৰঃ গাােলকীকৰণ হৈছে দেশ এখনৰ অৰ্থনীতিৰ সৈতে বিশ্বৰ অন্যান্য দেশৰ অৰ্থনীতিৰ সংযাােগ স্থাপন বা সংহতি সাধন কৰাৰ প্ৰক্ৰিয়া ।

**চমু উত্তৰৰ প্ৰশ্ন :**

**২ । অৰ্থনৈতিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ দুটা প্ৰধান পাৰ্থক্য উল্লেখ কৰা ।**

উত্তৰঃ অৰ্থনৈতিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ দুটা প্ৰধান পাৰ্থক্য **হলঃ**

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | অৰ্থনৈতিক বিকাশ | অৰ্থনৈতিক উন্নয়ন |
|---|---|---|---|
| (ক) | অৰ্থ | দেশ এখনৰ উৎপাদিত দ্ৰব্য তথা সেৱা, বিশেষকৈ জনমুৰি আয়ৰ বৃদ্ধি হোৱা। | অৰ্থনৈতিক বিকাশকে ধৰি গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত হোৱা দীৰ্ঘম্যাদী অৰ্থনৈতিক তথা সামাজিক পৰিবৰ্তন। |
| (খ) | ধাৰণা | ই এটা সংখ্যাগত বা পৰিমাণগত সীমিত ধাৰণা। | ই এটা গুণগত তথা বিস্তাৰিত ধাৰণা। |
| (গ) | সম্পৰ্ক | এই বিকাশ অৰ্থনৈতিক উন্নয়নৰ সৈতে সংলগ্ন হ'বও পাৰে অথবা নহ'বও পাৰে। | এই উন্নয়ন সদায় অৰ্থনৈতিক বিকাশৰ সৈতে সংলগ্ন হৈ থাকে। |
| (ঘ) | পৰিসৰ | ই কোনো প্ৰতিষ্ঠানিক পৰিবৰ্তনৰ সৈতে জড়িত নহয়। | শিক্ষা, স্বাস্থ্য, বেংক ব্যৱস্থা, ভূমিৰ ভোগ-দখল আদিত হোৱা পৰিবৰ্তন ইয়াৰ অংশ বিশেষ। |

*অৰ্থনৈতিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ*

**৩। মানব উন্নয়নৰ তিনিটা সূচক কি কি ?**

উত্তৰঃ মানৱ উন্নয়ন সূচক তিনিটা **হলঃ**

( ক ) প্ৰত্যাশিত আয়ুস ।

( খ ) শিক্ষা বা সাক্ষৰতা ।

( গ ) জীৱন ধাৰণৰ মানদণ্ড ।

**৪। সমষ্টিগত পছন্দৰ বিস্তাৰ সাধন হৈছে বুলিলে কি বুজিবা ?**

উত্তৰঃ সমষ্টিগত পছন্দৰ বিস্তাৰ সাধন হৈছে মানৱ উন্নয়নৰ প্ৰাথমিক ভিত্তি । জনসাধাৰণৰ পছন্দ হৈছে মানৱ উন্নয়নৰ মধ্যবিন্দু । জনসাধাৰণৰ সমষ্টিগত পছন্দই অৰ্থনৈতিক , সামাজিক , সাংস্কৃতিক আৰু ৰাজনৈতিক পছন্দসমূহকো সামৰি লয়। জনসাধাৰণৰ সমষ্টিগত পছন্দক তিনিটা কাৰকে প্ৰভাৱান্বিত কৰে । এইকেইটা **হলঃ**

( ক ) প্ৰত্যাশিত আয়ুস ।

( খ ) সাক্ষৰতা ।

( গ ) জীৱন ধাৰণৰ মানদণ্ড ।

**৫। ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ তিনিটা মূল লক্ষ্য উল্লেখ কৰা ।**

উত্তৰঃ ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ তিনিটা মূল লক্ষ্য **হলঃ**

( ক ) অৰ্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধি কৰা ।

( খ ) নিয়োগৰ সা – সুবিধা বৃদ্ধি কৰা ।

( গ ) দৰিদ্ৰতা নিৰ্মূল কৰা ।

( ঘ ) আঞ্চলিক বৈষম্য আঁতৰ কৰা ।

( ঙ ) আৰ্থ – সামাজিক বৈষম্য দূৰ কৰা ।

( চ ) পৰিৱেশৰ অনিষ্ট সাধন নকৰাকৈ বহনক্ষম অৰ্থনৈতিক উন্নয়ন সুনিশ্চিত কৰা ।

**৬। নিটি ( NITI ) আয়াোগৰ সদস্যসকল কোন কোন ?**

উত্তৰঃ নিটি আয়াোগৰ সদস্যসকল **হৈছেঃ**

( ক ) অধ্যক্ষ হিচাপে আছে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী ।

( খ ) প্ৰধানমন্ত্ৰীৰ দ্বাৰা নিযুক্ত এজন উপাধ্যক্ষ ।

( গ ) নিজৰ নিজৰ ক্ষেত্ৰত দক্ষতাসম্পন্ন তিনিগৰাকী পূৰ্ণকালীন সদস্য ।

( ঘ ) দুগৰাকী অংশকালীন সদস্য ।

( ঙ ) পদেন সদস্য হিচাপে নিযুক্ত সৰ্বোচ্চ চাৰিজন কেন্দ্ৰীয় মন্ত্ৰী ।

( চ ) মুখ্য কাৰ্যবাহী বিষয়া হিচাপে নিযুক্ত এজন ভাৰতীয় প্ৰশাসনিক বিষয়া ।

( ছ ) পৰিচালনা পৰিষদৰ সদস্য হিচাপে আছে প্ৰতিখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ উপ – ৰাজ্যপালসকল ।

## দীঘল উত্তৰৰ প্ৰশ্ন :

**৭।ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ প্ৰথমছাৌৰা ( ১৯৫১-১৯৯১ ) আৰু দ্বিতীয়ছাৌৰা ( ১৯৯১ ৰপৰা বৰ্তমানলৈ ) ৰ মাজত থকা এটা মূল পাৰ্থক্য ব্যাখ্যা কৰা ।**

উত্তৰঃ ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ প্ৰথমছাৌৰা ( ১৯৫১-৫২ ৰ পৰা ১৯৯০-৯১ ) ত ৰাজহুৱা বা চৰকাৰী খণ্ডই ভাৰতীয় অৰ্থনীতিত মুখ্য ভূমিকা পালন কৰিছিল ।

কিন্তু ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ দ্বিতীয়ছাৌৰা ( ১৯৯১ ১২ চনৰ পৰা বৰ্তমানলৈ ) সময়ত ৰাজহুৱা খণ্ডৰ ভূমিকা যথেষ্ট পৰিমাণে হ্ৰাস হ’বলৈ ধৰে আৰু উদাৰীকৰণ , ব্যক্তিগতকৰণ তথা গাোলকীকৰণ আদিৰ দৰে নতুন ধাৰণাসমূহে গতি লাভ কৰিবলৈ ধৰে ।

**৮। ভাৰতবৰ্ষত অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ তিনিটা মূল কাৰণ চমুকৈ ব্যাখ্যা কৰা ।**

উত্তৰঃ ভাৰতবৰ্ষত অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ তিনিটা প্ৰধান কাৰণ **হৈছেঃ**

( ক ) **বিত্তীয় ঘাটি :-** বিত্তীয় ঘাটি হৈছে এটা অৰ্থনৈতিক পৰিঘটনা যত মুঠ চৰকাৰী বা ৰাজহুৱা ব্যয়ে পুঞ্জীভূত চৰকাৰী ৰাজহ বা আয়ৰ সীমা অতিক্ৰম কৰি যায় । ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ প্ৰথমছাোৱাত ভাৰতীয় অৰ্থনীতিয়ে বৃহৎ বিত্তীয় ঘাটিৰ সন্মুখীন হ'বলগীয়া হৈছিল ।

এই সময়ছাোৱাত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ অৱস্থা অতি শাোচনীয় হৈ পৰিছিল । প্ৰায়বাোৰ উদ্যোগেই লাোকচান ভৰিবলগীয়া হৈছিল ।

( খ ) **মুদ্ৰাস্ফীতি :-** প্ৰাক্ – অৰ্থনৈতিক সংস্কাৰৰ সময়ছাোৱাত ভাৰতীয় অৰ্থনীতি মুদ্ৰাস্ফীতিৰ দ্বাৰা অতি গভীৰভাৱে ক্ষতিগ্ৰস্ত হৈছিল । মুদ্ৰাস্ফীতিৰ উচ্চ হাৰে সামাজিক তথা আৰ্থিকভাৱে পিছপৰা সীমিত উপাৰ্জনকাৰী লাোকসকলৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলাইছিল ।

( গ ) **পৰিশাোধেয় ধনৰ ভাৰসাম্যতা :-** ৮০ ৰ দশকৰ পৰা ভাৰতৰ বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত পৰিশাোধেয় ধনৰ ভাৰসাম্যতাত ব্যাঘাত জন্মিছিল । ভাৰতীয় অৰ্থনীতিৰ পৰা মূলধনৰ বহিৰ্গম বৃদ্ধি পাোৱাৰ বিপৰীতে ভাৰতীয় অৰ্থনীতিলৈ বিদেশৰ পৰা অহা মূলধনৰ পৰিমাণ কমি গৈছিল ।

মূলধনৰ প্ৰৱাহৰ ক্ষেত্ৰত দেখা দিয়া এনে ভাৰসাম্যতাহীনতাই ভাৰতৰ বৈদেশিক বাণিজ্য ঘাটিৰ পৰিমাণ উদ্বেগজনকভাৱে বৃদ্ধি কৰিছিল ।

এনে ধৰণৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত বিশ্ববেংকে ভাৰত চৰকাৰক ভাৰতীয় অৰ্থনীতিত গাঁথনিমূলক পৰিৱৰ্তন সাধন কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায় ।

**৯। অৰ্থনৈতিক সংস্কাৰৰ তিনিটা সুফল উল্লেখ কৰা ।**

উত্তৰঃ ভাৰতত অৰ্থনৈতিক সংস্কাৰৰ তিনিটা সুফল **হৈছেঃ**

( ক ) **বৰ্ধিত অৰ্থনৈতিক উন্নয়নৰ হাৰ :-** অৰ্থনৈতিক সংস্কাৰৰ প্ৰৱৰ্তনৰ পূৰ্বে ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ বাৰ্ষিক হাৰ আছিল ৩,৫ শতাংশ । কিন্তু নতুন সংস্কাৰৰ প্ৰৱৰ্তনৰ পিছত অৰ্থনৈতিক বাৰ্ষিক উন্নয়নৰ হাৰ ২০০৫-২০০৮বৰ্ষত ৯ শতাংশ আৰু ২০০৯-২০১৪ বৰ্ষত প্ৰায় ৭ শতাংশলৈ বৃদ্ধি হয় ।

( খ ) **পাইকাৰী মূল্যসূচীৰ হ্ৰাসীকৰণ :-** অৰ্থনৈতিক সংস্কাৰাোত্তৰ সময়ছাোৱাত পাইকাৰী মূল্যসূচী হ্ৰাস হৈছে । অৱশ্যে খুচুৰা মূল্যসূচী একে হাৰত হ্ৰাস হাোৱা নাই ।

( গ ) **বৈদেশিক বিনিময়যাোগ্য মুদ্ৰাৰ পৰিমাণত হাোৱা বৃদ্ধি :-** ভাৰতত ১৯৯০-৯১ বৰ্ষত ৰিজাৰ্ভ বেংকত জমা থকা বৈদেশিক বিনিময়যাোগ্য মুদ্ৰাৰ পৰিমাণ তেনেই কম আছিল যাৰ দ্বাৰা কেৱল ১৫ দিনৰ আমদানি কাৰ্যহে সম্পাদন কৰা সম্ভৱ আছিল । কিন্তু ২০১৫ চনৰ মাৰ্চত এই পৰিমাণ বৃদ্ধি হৈ ৩২৮.৭ বিলিয়ন ডলাৰ হৈছে , যিয়ে পৰৱৰ্তী ৭ মাহৰ আমদানিৰ মূল্য সামৰি লৈছে । এইদৰে অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ পিছত ভাৰতৰ বৈদেশিক বিনিময়যাোগ্য মুদ্ৰাৰ পৰিমাণ যথেষ্ট বৃদ্ধি হৈছে ।

**১০। অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ ফলত সৃষ্টি হাোৱা দুটা অসুবিধা চমুকৈ ব্যাখ্যা কৰা ।**

উত্তৰঃ ভাৰতত অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ ফলত সৃষ্টি হাোৱা অসুবিধাসমূহ **হৈছেঃ**

( ক ) **সীমিত ক্ৰয় ক্ষমতা :-** অৰ্থনৈতিক সংস্কাৰৰ ফলস্বৰূপে প্ৰতিযাোগিতাৰ প্ৰসাৰ আৰু তীব্ৰতা দুয়াোটাই বুজন পৰিমাণে বৃদ্ধি পাইছে । কিন্তু ক্ৰয় ক্ষমতাৰ নাটনিৰ বাবে সাধাৰণ জনগণই এইধৰণৰ সুবিধাসমূহ গ্ৰহণ কৰিব নাোৱাৰে ।

( খ ) **অত্যধিক ভাোগবাদী আসক্তি :-** অত্যধিক ভাোগবাদী আসক্তি বৃদ্ধি হাোৱাৰ ফলত সামাজিক প্ৰমূল্যসমূহৰ প্ৰতি ভাবুকি সৃষ্টি হয় কিয়নাো মুদ্ৰা বা ধনে প্ৰভাৱকাৰী ভূমিকা পালন কৰাৰ লগে লগে নৈতিকতাৰ অৱক্ষয় হ'বলৈ ধৰে ।

( গ ) **গাোলকীকৰণৰ ব্যৱস্থাপনা :-** যাোৱা কেইবছৰত গাোলকীকৰণৰ ব্যৱস্থাপনাৰ প্ৰয়াোজন অনুভৱ কৰা হৈছে । কোনো ধৰণৰ পৰিস্থিতিতেই গাোলকীকৰণ আৰু জাতীয় স্বাৰ্থৰ পাৰস্পৰিক সংঘৰ্ষ হ'ব নালাগিব ।

( ঘ ) **সু-প্ৰশাসনৰপ্ৰয়াোজন :-** অৰ্থনৈতিক সংস্কাৰৰ সুবিধা বা লাভালাভসমূহে সমাজৰ দুৰ্বল শ্ৰেণীটোক ঢুকি পাব পাৰে যেতিয়া দেশত এক সুপ্ৰশাসন ব্যৱস্থা বহাল থাকে । অন্যথা দেশৰ দৰিদ্ৰ তথা দুৰ্বল শ্ৰেণীটো বজাৰকেন্দ্ৰিক অৰ্থনীতিৰ পৰা বঞ্চিত হৈ থাকিব ।

**১১। অসমৰ চলিত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ছটা প্ৰধান লক্ষ্য উল্লেখ কৰা ।**

উত্তৰঃ অসমৰ চলিত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰধান লক্ষ্যসমূহ **হলঃ**

( ক ) শ্ৰেষ্ঠ ভাৰতীয় ৰাজ্যসমূহৰ অৰ্থনীতি আৰু অসমৰ অৰ্থনীতিৰ মাজত থকা ব্যৱধান আঁতৰ কৰিব পৰাকৈ অহা দুই তিনিটা দশৰ ভিতৰত ৰাজ্যখনৰ বাৰ্ষিক অৰ্থনৈতিক উন্নয়নৰ হাৰ ত্বৰান্বিত কৰা ।

( খ ) দৰিদ্ৰতা নিমূলকৰণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা ।

( গ ) শেহতীয়া প্ৰযুক্তিবিদ্যা আৰু বিজ্ঞানসন্মত ব্যৱস্থাপনাৰ জৰিয়তে বানপানী আৰু গৰাখহনীয়াৰ সমস্যা সমাধান কৰা ।

( ঘ ) কৃষিখণ্ডৰ বাৰ্ষিক উন্নয়নৰ হাৰ ৬ শতাংশৰ পৰা ৮ শতাংশলৈ বৃদ্ধি কৰা ।

( ঙ ) শক্তি উৎপাদনত আত্মনিৰ্ভৰশীলতা অৰ্জনৰ লগতে শক্তি পৰিবহণ তথা বিতৰণৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ কৰা ।

( চ ) স্বাস্থ্য তথা শিক্ষা খণ্ডত বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰাৰ দ্বাৰা অসমৰ মানৱ উন্নয়নৰ সূচাংকৰ মান বৃদ্ধি কৰা ।